# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-03-2024

**Time :** 18-00 Hrs.

## *ASSAMESE REGIONAL BULLETIN*

**::::::::::::::::::::::::::::::::::::::**

দেশৰ পৰৱৰ্তী লোকসভা নিৰ্বাচনৰ সময়সূচী কাইলৈ ঘোষণা কৰা হ'ব। দেশৰ নিৰ্বাচন আয়োগে মুঠ ৫৪৩ টা লোকসভা সমষ্টিৰ বাবে হ'বলগীয়া এই অষ্টাদশ নিৰ্বাচনৰ বিস্তৃত সময়সূচী কাইলৈ বিয়লি ৩ বজাত ঘোষণা কৰিব বুলি প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে নিৰ্বাচন আয়োগে পৰ্যায়ক্ৰমে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লয়। নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ জিলা পৰ্যায়ত প্ৰশাসনে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। ইপিনে, ইতিমধ্যে বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনী তৎপৰতা আৰম্ভ কৰিছে। শাসনাধিষ্ঠিত ভাৰতীয় জনতা পাৰ্টীৰ লগতে বিৰোধী দল কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, আম আদমী পাৰ্টীয়ে প্ৰচাৰ অভিযান চলাইছে। অসমতো শাসনাধিষ্ঠিত বিজেপিৰ লগতে কংগ্ৰেছ, আম আদমী পাৰ্টী আৰু বিজেপিৰ মিত্ৰজোঁট অসম গণ পৰিষদ আৰু ইউ পি পি এলে নিৰ্বাচনী তৎপৰতা চলাইছে। লখিমপুৰ লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থী প্ৰদান বৰুৱাৰ জয় নিশ্চিত কৰাৰ বাবে মন্ত্ৰী ডাঃ ৰণোজ পেগু ৰে আজি ধেমাজি জিলাৰ বিজেপি নেতা আৰু মিত্ৰজোঁট গণশক্তিৰ নেতাৰ সৈতে আলোচনাত মিলিত হয়। যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি যোৰহাটত নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে, বাক্সা জিলাৰ শিমলাত ইউ পি পি এলৰ এখন দলীয় সভা অনুষ্ঠিত হয়। সভাখনত কোকৰাঝাৰ লোকসভা সমষ্টিৰ ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীক দলীয় কৰ্মীয়ে আদৰণি জনায়।

০০০০

দেশৰ পৰৱৰ্তী লোকসভা নিৰ্বাচনৰ সময়সূচী কাইলৈ ঘোষণা কৰা হ'ব। দেশৰ নিৰ্বাচন আয়োগে মুঠ ৫৪৩ টা লোকসভা সমষ্টিৰ বাবে হ'বলগীয়া এই অষ্টাদশ নিৰ্বাচনৰ বিস্তৃত সময়সূচী কাইলৈ বিয়লি ৩ বজাত ঘোষণা কৰিব বুলি প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে নিৰ্বাচন আয়োগে পৰ্যায়ক্ৰমে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লয়।

ইপিনে, দেশৰ নৱনিযুক্ত নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুৱে আজি কাৰ্যভাৰ গ্ৰহণ কৰে। ভাৰতৰ নিৰ্বাচন আয়োগে এটা বিবৃতি যোগে প্ৰকাশ কৰা মতে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে নিৰ্বাচন সন্দৰ্ভত আয়োজিত এটা অনুষ্ঠানত নতুনকৈ নিযুক্তি লাভ কৰা নিৰ্বাচন আয়ুক্ত দুগৰাকীক আসন্ন

ব্যস্ততাপূৰ্ণ ১২ টা সপ্তাহৰ বাবে আদৰণি জনায়। বিবৃতিটোত প্ৰকাশ পোৱা মতে বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ ২০২৪ বৰ্ষৰ লোকসভা নিৰ্বাচন পৰিচালনা কৰাৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগ প্ৰস্তুত হ'বলৈ লোৱাৰ ঐতিহাসিক সময়ছোৱাত নিৰ্বাচন আয়ুক্ত দুগৰাকীয়ে নতুনকৈ কামত যোগদান কৰাটোক মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে গুৰুত্বপূৰ্ণ হিচাপে অভিহিত কৰিছে। শ্ৰী কুমাৰে জানিবলৈ দিয়া মতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাৰে গঠিত এখন পেনেলে কালি গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুক নতুন নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে।

০০০

বৰপেটা লোকসভা সমষ্টিৰ সাংসদ আব্দুল খালেকে আজি কংগ্ৰেছ দল ত্যাগ কৰে। সাংসদগৰাকীয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি আৰু তত্ত্বাৱধায়কৰ বিষয়ে অসন্তুষ্টি প্ৰকাশ কৰি ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে।

০০০

আসন্ন লোকসভা  নিৰ্বাচনৰ ১৩ নম্বৰ ডিব্ৰুগড় লোকসভা সমষ্টিৰ পৰা অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি আজি এখন সংবাদমেলত অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই প্ৰকাশ কৰে। অসম জাতীয় পৰিষদৰ ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ বৰ্ধিত সভাই সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দলৰ সভাপতি লুৰিণজ্যোতি গগৈক সৰ্বসন্মতিক্ৰমে মনোনীত কৰে। সংবাদমেলত বিৰোধী ঐক্য মঞ্চৰ অন্তৰ্গত ৰাজনৈতিক দলসমূহে নিৰ্বাচনত শ্ৰী গগৈৰ প্ৰতি সহায় আৰু সমৰ্থন আগবঢ়োৱাৰ কথা ব্যক্ত কৰে।

০০০

ৰাজ্যপাল তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আচাৰ্য্য গুলাব চান্দ কাটাৰিয়াই আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৩১ সংখ্যক সমাৱৰ্তনত অংশগ্ৰহণ কৰে। ৰাজ্যপাল শ্ৰীকাটাৰিয়াই ভাষণ প্ৰসংগত ২০৪৭ চনৰ ভিতৰত ভাৰতক বিশ্বগুৰু কৰাৰ লক্ষ্যৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা আৰু জ্ঞানেৰে বিশ্ব জয় কৰিবলৈ আহ্বান জনায়। সমাৱৰ্তনত ভাৰতৰ প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীৰ কাৰ্যবাহী সঞ্চালক ৰাজীৱ আহুজাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত  আহুজাই ডিগ্ৰী লাভ কৰা সকলো শিক্ষাৰ্থীক সমাজৰ ৰূপান্তৰৰ স্বাৰ্থত কাম কৰিবলৈ আহ্বান জনায়। আজিৰ এই সমাৱৰ্তনত ৫৪ হাজাৰ ৮৮০ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী আৰু ডিপ্ল'মা প্ৰদান কৰা হয়। এই অনুষ্ঠানতে গণিতক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত বৰঙণি আগবঢ়োৱা গণিতজ্ঞ ড০ তাৰকেশ্বৰ চৌধুৰীক **ডক্টৰ অৱ চাইন্স** ডিগ্ৰীৰে সন্মানিত কৰা হয়। একেদৰে, সংগীত শিল্পী ৰমেন বৰুৱা আৰু দেশৰ প্ৰথম মহিলা মাউট পাৰ্বতী বৰুৱাক **ডক্টৰ অৱ ফিলোচফি** সন্মান প্ৰদান কৰা হয়।

০০০

ড০ বাবুলাল আহুজাই আজি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপচাৰ্য্য হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। ড০ আহুজাই পঞ্জীয়ক ড০ চুবুং বসুমতাৰী আৰু অন্যান্য অধ্যাপকসকলৰ উপস্থিতিত ভাৰপ্ৰাপ্ত উপাচাৰ্য্য অধ্যাপক পি কে পাত্ৰৰ পৰা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ দায়িত্ব গ্ৰহণ কৰে। সদৌ বড়ো ছাত্ৰ সন্থা আৰু বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলে ড০ আহুজাক আদৰণি জনায়।

০০০

সমাপ্ত